ট্ৰেজেডি ঃ

ট্ৰেজেডিৰ উৎপত্তি ঃ

ট্ৰেজেডিৰ উৎপত্তি হয় গ্ৰীচ দেশত। সুৰাৰ দেৱতা ডায়োনিচাচৰ জীৱনৰ আদি ভাগৰ করুণ কাহিনীক স্মৰণ কৰি যি প্ৰশস্তি আৰু বিলাপ গীত ডিথিৰাম্ব গাইছিল তাৰপৰাই ট্ৰেজেডিৰ উৎপত্তি হয়। ইংৰাজী ভাষাৰ ট্ৰেজেডি শব্দটো ছাগলী অৰ্থাৎ 'ট্ৰাগোছ' শব্দৰ পৰাই উৎপত্তি। গ্ৰীক 'tragoidia' শব্দৰ পৰা ট্ৰেজেডি শব্দটো আহিছে। Tragiodia ৰ অৰ্থ ছাগ গীত। এৰিষ্টোটলে উল্লেখ কৰিছে যে ছাটীৰ (satyr) জাতীয় নাটকৰ অভিনয়ত ছাগলীৰ মুখা পিন্ধি চৰিত্ৰবোৰে অভিনয় কৰিছিল। সেই অনুসাৰে তেনে নাটকক ট্ৰেজেডি বোলা হৈছিল। আন এটা মতবাদ মতে ভক্তসকলে ডায়োনিচাচক ছাগলীৰ ৰূপত কল্পনা কৰিছিল। সেই ছাগৰূপী দেৱতাৰ উৎসৱত ছাগলী বলি দিয়া হৈছিল আৰু ভাল 'ছাগ-গীত' গোৱা জনক ছাগলী পুৰস্কাৰ দিয়া হৈছিল। ইয়াৰ পৰাই ট্ৰেজেডি হয়। আন কোনোৱে কৈছে ডায়োনিচাচৰ ছাটীৰ (satyr) নামৰ এদল-অনুচৰ আছিল। সিহঁতৰ নিম্নাংশ ছাগলী সদৃশ। সিহঁতে 'ডিথিৰাম্ব' গাইছিল আৰু ছাগলীৰ দৰে সাজ-পোছাক কৰিছিল। ইয়াৰ পৰাই ট্ৰেজেডি শব্দটিৰ জন্ম হৈছে। এনেদৰে ট্ৰেজেডিৰ সম্পৰ্কত বিভিন্ন মত পোৱা যায়। ইয়াৰ এক সঠিক সিদ্ধান্তও হোৱা নাই। সেয়ে হ'লেও ডায়োনিছাছ দেৱতাৰ উদ্দেশ্যে গোৱা প্ৰশস্তি গীতৰ পৰাই ট্ৰেজেডিৰ উৎপত্তি হোৱা বুলি সৰ্বসন্মত সিদ্ধান্তত উপনীত হ'ব পাৰি।

এৰিষ্টোটলে ট্ৰেজেডিৰ সম্পৰ্কত কৈছে যে আৰম্ভণিৰ ট্ৰেজেডিবোৰৰ সংলাপ লিখিত ৰূপত নাছিল। কোৰাছ গায়কসকলৰ গীত-মাত আৰু ৰচনা সমূহ তৎকালিক মৌখিক ৰচনা। ডিথিৰাম্বৰ গীত-নৃত্যৰ পৰা বিকাশ লাভ কৰি ক্ৰমে ক্ৰমে নতুন নতুন উপাদান যোগ হৈ পৰিৱৰ্তনৰ মাজেৰে ট্ৰেজেডিয়ে পৰিপূৰ্ণ ৰূপ লাভ কৰিছে। থেচপিচে এজন অভিনেতা সংযোগ কৰি প্ৰথম ইয়াক নাটকীয় ৰূপ দিয়ে। প্ৰথমাৱস্থাত ই লঘু বিষয়বস্তু আৰু ৰচনাৰীতিৰ আছিল, পাছলৈ ট্ৰেজেডিৰ সুৰ গহীন-গম্ভীৰ হয়, গাম্ভীৰ্য আৰু মহত্ত্ব লাভ কৰে।

থেচপিচ, কোৰিলাছ, ফ্ৰিনিকাছ, এস্কিলাছ, চফক্লিছ, য়ুৰিপিদিছ আদিৰ হাতত ট্ৰেজেডিয়ে বিবিধ ৰূপ লাভ কৰে।

Scanned by CamScanner

### ট্ৰেজেডিৰ লক্ষণ ঃ

এৰিষ্টোটলে তেওঁৰ 'পয়েটিক্স' গ্ৰন্থত ট্ৰেজেডিৰ লক্ষণ পোন প্ৰথম নিৰূপন কৰে। পৰৱৰ্তী সময়ত বিভিন্নজনে ট্ৰেজেডিৰ লক্ষণ নিৰূপন কৰি সংজ্ঞা দিছে যদিও সেইবোৰৰ মূল ভেটি এৰিষ্টোটলৰ প্ৰাচীন সংজ্ঞাটোৱেই আছিল। সেয়ে মূল লক্ষণসমূহৰ বিচাৰত এৰিষ্টোটলৰ সংজ্ঞাটোৱেই প্ৰাসংগিক হৈ আছে। এৰিষ্টোটলে কৈছিল— "সেয়ে হ'লে, ট্ৰেজেডি এক ক্ৰিয়াৰ অনুকৰণ, যি ক্ৰিয়া গুৰুগম্ভীৰ, সম্পূৰ্ণ আৰু আয়তন বিশিষ্ট, ভাষাৰ ক্ষেত্ৰত যাৰ প্ৰতিটো অংগ স্বতন্ত্ৰ ভাৱে শিল্প সৌন্দৰ্যৰে মণ্ডিত; যাৰ ক্ৰিয়াশীলতাৰ প্ৰকাশ ৰীতি বৰ্ণনাত্মক নহয়, নাটকীয়হে; যাৰ ক্ৰিয়াশীলতাই ভয় আৰু কৰুণাৰ উদ্ৰেক কৰি অনুৰূপ অনুভূতিসমূহৰ পৰিশুদ্ধি ঘটায়।" ("A tragedy, then, is the imitation of an action that is serious and also, as having magnitude, complete in itself; in language with pleasurable accessories, each kind brought in separately in the parts of the work; in a dramatic, not in a narrative form, with incidents, arousing pity and fear, wherewith to accomplish its cathersis of such emotions.")

এৰিষ্টোটলৰ এই সংজ্ঞাটো বিশ্লেষণ কৰি চালে ট্ৰেজেডিৰ কেইটামান লক্ষণ চকুত পৰে। সেয়া হৈছে—

(ক) ট্ৰেজেডি ক্ৰিয়াৰ অনুকৰণ (imitation of action), ই মানৱ জীৱনৰ অনুকৰণ; মানুহৰ অনুকৰণ নহয় ঘটনাৰ অনুকৰণ।

(খ) ই জীৱনৰ (serious) ঘটনাৰ অনুকৰণ। গুৰুগম্ভীৰ (serious) মানে গুৰুত্বপূৰ্ণ আৰু গাম্ভীৰ্যপূৰ্ণ। Humphrey House এ এই Serious শব্দটোক weighty and important বুলি কৈছে।

(গ) ট্ৰেজেডিৰ কাহিনী স্বয়ং সম্পূৰ্ণ আৰু বিশেষ আয়তন বিশিষ্ট। magnitude শব্দটোৱে ইয়াৰ দৈৰ্ঘ্য আৰু আকাৰক নিৰ্দেশ কৰিছে। ই পৰিমিত আকাৰৰ হ'ব লাগিব যাতে তাৰ মাজেৰে ট্ৰেজিক ৰস নিসৃত হ'ব পাৰে। অন্যহাতে কাহিনী আদি, মধ্য আৰু অন্তযুক্ত স্বয়ংসম্পূৰ্ণ হ'ব লাগিব আৰু কাহিনীটোৰ ঐক্য বজাই ৰাখিব লাগিব। এৰিষ্টোটলে কাহিনীৰ দুটা ৰূপৰ কথা কৈছে— সেয়া হ'ল জটিল (complex) আৰু সৰল (simple)। তেওঁ জটিল কাহিনী ট্ৰেজেডিৰ বাবে উপযুক্ত বুলি কৈছে।

(ঘ) ট্ৰেজেডিৰ ভাষা হ'ব লাগে আনন্দদায়ক উপাদান যুক্ত— 'in language with pleasurable accessories'. অৰ্থাৎ ট্ৰেজেডিৰ ভাষা লয়যুক্ত বা ছন্দযুক্ত আৰু শিল্পমণ্ডিত হ'ব লাগে। এইখিনিতে এৰিষ্টোটলে ট্ৰেজেডিত সংগীতৰ

Scanned by CamScanner

আৱশ্যকতাৰ কথা কৈছে।

(ঙ) ট্ৰেজেডিৰ প্ৰকাশ ৰীতি হ'ব লাগে নাটকীয়; ই বৰ্ণনাত্মক নহয়— 'in a dramatic, not in a narrative form.' ঘটনা বৰ্ণাত্মক হ'লে ট্ৰেজেডিৰ চাহিদা পূৰণ নহয়। দৃশ্যৰ সহায়েৰে তাক অভিনয়ৰ উপযোগী কৰি তোলা উচিত। এৰিষ্টোটলে ঘটনাৰ অভিনয়াত্মক ৰূপৰ কথা কৈছে যদিও গ্ৰীক ট্ৰেজেডিৰ সকলোবোৰ দৃশ্য অভিনয় কৰা নহৈছিল। হত্যাকাণ্ডৰ দৰে দৃশ্য বৰ্ণনাহে কৰা হৈছিল।

(চ) ট্ৰেজেডিত ৰূপায়িত ঘটনাই দৰ্শকৰ মনত ভয় আৰু কৰুণাৰ উদ্ৰেক কৰিব লাগে। এই প্ৰসংগত এৰিষ্টোটলে pity আৰু fear শব্দ দুটা প্ৰয়োগ কৰিছে। ইয়াত pity শব্দটোৰে শোচনা বা সহানুভূতি বা কৰুণা অৰ্থহে প্ৰকাশ কৰিছে। সেয়ে ট্ৰেজেডিত সৃষ্টি হোৱা ৰসে ভয় আৰু কৰুণা বা সহানুভূতি জগায় তোলে।

(ছ) ট্ৰেজেডিৰ লক্ষ্য হ'ব লাগে ভয়, কৰুণা, সহানুভূতিৰ সৃষ্টি কৰি দৰ্শকৰ মন অনুৰূপ অনুভূতিৰ পৰা মুক্ত কৰি এক শান্ত-সমাহিত অৱস্থাত নিমজ্জিত কৰা। এৰিষ্টোটলে কৈছে— where with to accomplish its catharsis of such emotions. এই 'কেথাৰচিচ' (catharsis) শব্দটো যথেষ্ট বিতৰ্কিত।

[কেথাৰচিচ শব্দটো কিছুমানে purification অথাৎ পৱিত্ৰকৰণ অৰ্থত ব্যৱহাৰ কৰিছে বুলি ক'ব খোজে। এওঁলোকে ক'ব খোজে নায়কৰ দুখ-বিপৰ্যয় দেখি দৰ্শকৰ সহানুভূতি বৃদ্ধি পায় আৰু সেই ধৰণৰ স্বাভাৱিক আৱেগবোৰ বৃদ্ধিৰ ফলস্বৰূপে দৰ্শকৰ অন্তৰ পৱিত্ৰ হয়। এওঁলোকে আকৌ কয় যে দৰ্শকে নায়কৰ লগত নিজকে তুলনা কৰি নিজৰ অস্তিত্ব সম্পৰ্কে সজাগ হয় আৰু নিজৰ দুৰ্বলতা আঁতৰাই আত্মশোধনৰ চেষ্টা কৰে। এই মতবাদক সমালোচনা কৰি কোৱা হয় 'ৰঙ্গমঞ্চ স্কুল নহয়'। আন এটা মতবাদ মতে কেথাৰচিচ শব্দটো চিকিৎসা শাস্ত্ৰ সম্পৰ্কীয় আৰু ইয়াৰ অৰ্থ 'বিমোক্ষণ' (purgation)। প্ৰাচীন চিকিৎসাশাস্ত্ৰ মতে মানুহৰ শৰীৰৰ দুই এটা ৰসৰ মাত্ৰাধিক্যই ৰোগৰ কাৰণ আৰু এই মাত্ৰাধিক ৰসৰ বহিৰ্গমন কৰিলেই ৰোগ নিৰ্মূল হয়। ঠিক তেনেদৰেই ট্ৰেজেডিৰ যন্ত্ৰণাৰ দৃশ্যৰ অভিনয় দৰ্শনে মানুহৰ অন্তৰৰ মাত্ৰাধিক যন্ত্ৰণাৰ অনুভৱৰ বহিৰ্গমন ঘটায় আৰু তেওঁলোকৰ জীৱন প্ৰশান্ত আৱেগৰ স্বস্তিৰে ভৰি পৰে। সেয়ে ট্ৰেজেডি এক প্ৰকাৰৰ দেহৰ পৰিশোধন। ইয়াৰ বিৰুদ্ধে মন্তব্য কৰা হয় 'ৰঙ্গমঞ্চ চিকিৎসালয় নহয়।' অন্য এদলে আকৌ ক'ব খোজে ট্ৰেজেডিৰ ঘটনাই দৰ্শকক তেওঁলোকৰ জীৱনত তেনে ঘটনাৰ সন্মুখীন হ'বলৈ প্ৰস্তুত কৰি তোলে। ফলত দৰ্শকৰ মানসিক দুৰ্বলতা নোহোৱা হয়। 'কেথাৰচিচ' শব্দটো এই অৰ্থত গ্ৰহণ কৰাৰেই যুক্তিযুক্তা অধিক।]

Scanned by CamScanner

এৰিষ্টোটলে ট্ৰেজেডিৰ লক্ষণ নিৰূপন কৰিছিল গ্ৰীক ট্ৰেজেডিৰ আৰ্হি অনুসৰি। পৰৱৰ্তী সময়ত ট্ৰেজেডিৰ ভাব বিষয় ৰূপৰ অনেক পৰিৱৰ্তন ঘটিছে। সেয়ে লক্ষণতো কিছু পৰিৱৰ্তন, বিশেষকৈ কিছু সংযোজন ঘটিছে। মুঠতে ট্ৰেজেডিত জীৱনৰ সত্য, সৌন্দৰ্য, তাৰ গুৰু-গম্ভীৰ ৰূপ, দুঃখ আৰু সংঘাতৰ ৰূপ প্ৰতিফলিত হয়। ইয়াৰ মাজত চিৰন্তন বিষাদ বেদনা নিহিত হৈ থাকে। এই সমস্তখিনিয়ে যোগান ধৰে এক প্ৰকাৰৰ আনন্দ; যাক কোৱা হয় ট্ৰেজিক আনন্দ। ট্ৰেজিক কাহিনী হ'লেও ট্ৰেজিক চৰিত্ৰৰ মাজত যি সু উচ্চ মহিমা আৰু বীৰোচিত ঐশ্বৰ্য দেখিবলৈ পোৱা যায় সিয়েই দৰ্শকৰ মনত এক অনিৰ্বচনীয় আনন্দৰ যোগান ধৰে।

### ৯.০৩ ট্ৰেজেডিৰ শ্ৰেণীবিভাজন ঃ

এৰিষ্টোটলে ট্ৰেজেডিৰ চাৰিটা শ্ৰেণীৰ কথা উল্লেখ কৰিছে। সেয়া হৈছে—

১। জটিল বিন্যাসযুক্ত ট্ৰেজেডি (complex tragedy)

২। সৰল বিন্যাসযুক্ত ট্ৰেজেডি (simple tragedy)

৩। অনুশোচনামূলক ট্ৰেজেডি (pathetic tragedy)

৪। নৈতিক ট্ৰেজেডি (Ethical tragedy)

জটিল ট্ৰেজেডিত কাহিনী বিন্যাস জটিল। ইয়াৰ কাহিনীত বিপ্ৰতীপতা আৰু উদঘাটন থাকে। ভয়ানক আৰু কৰুণ ৰসৰ উপৰিও অদ্ভুত বা বিস্ময় ৰসৰো বিস্তাৰ ঘটে। এৰিষ্টোটলে ইয়াক উচ্চতম ট্ৰেজেডি (perfect) আখ্যা দিছে। ইডিপাচ, 'এন্টিগণি' এনে ট্ৰেজেডিৰ উদাহৰণ।

সৰল ট্ৰেজেডিৰ কাহিনী সৰল। ইয়াৰ পৰিস্থিতি, ঘটনা আদিত কোনো জটিলতা নাথাকে। ভয় আৰু কৰুণা প্ৰয়োজনীয় মাত্ৰাত উদ্ৰেক ঘটে।

অনুশোচনামূলক বা পেথেটিক ট্ৰেজেডিত দুখ বেদনা আৰু অনুশোচনা প্ৰকাশ পায়। চৰিত্ৰই ভুলৰ বাবে কু-কীৰ্তি, অখ্যাতি লাভ কৰি মৰণতকৈ অধিক বেদনাদায়ক পৰিস্থিতিৰ সন্মুখীন হয়। ভাবাবেগেই ইয়াৰ মূল উদ্দেশ্য (motive is passion)। শ্যেক্সপীয়েৰৰ 'মেকবেথ' ইয়াৰ উদাহৰণ।

নৈতিকতাবাদী বা এথিকেল ট্ৰেজেডিৰ মুখ্য উদ্দেশ্য নৈতিক সমস্যাৰ সমাধান, জীৱনৰ দাৰ্শনিক আৰু নৈতিক সমস্যাক এক উচ্চস্তৰত উপস্থাপন কৰাই এই বিধ ট্ৰেজেডিয়ে সাৰ্থকতা লাভ কৰে। ইয়াক ভাবাত্মক (Drama of Idea) বুলিব পাৰি।

আধুনিক ট্ৰেজেডিয়ে ব্যাপক ৰূপত প্ৰসাৰ লাভ কৰিছে। এৰিষ্টোটলৰ শ্ৰেণী বিভাজনে আধুনিক ট্ৰেজেডিৰ সকলো ৰূপকে সামৰি ল'ব পৰা নাই। নিকলে 'The Theory of Drama' গ্ৰন্থত ট্ৰেজেডিৰ শ্ৰেণীবিভাজন এইদৰে কৰিছে—

Scanned by CamScanner

১। গ্ৰীক ট্ৰেজেডি (Greek tragedy)
২। প্ৰথম অৱস্থাৰ এলিজাবেথীয় ট্ৰেজেডি (Early Elizabethan tragedy)
৩। মাৰ্লো ৰচিত ট্ৰেজেডি (Cristopher Marlowe's tragedy)
৪। শ্যেক্সপীয়েৰীয় ট্ৰেজেডি (Shakespearian type of tragedy)
৫। ভয়ংকৰ বা ভীতি প্ৰধান ট্ৰেজেডি (Horror tragedy)
৬। পাৰিবাৰিক ট্ৰেজেডি (Domestic tragedy)

বিশদ বিৱৰণলৈ নগৈ ক'ব পাৰি উল্লিখিত ট্ৰেজেডিসমূহৰ নামকৰণেই সিহঁতৰ গুণ-বৈশিষ্ট্য ব্যঞ্জিত হৈছে। বিষয়বস্তু, ৰস আৰু ভাববস্তুৰ আধাৰত ট্ৰেজেডিক এক বহল ভিত্তিত শ্ৰেণীবদ্ধ কৰিব পৰা যায়। তলত তাৰ উল্লেখ কৰা হ'ল।

বিষয়বস্তু অনুসৰি ট্ৰেজেডিৰ ভাগ ঃ

(ক) পৌৰাণিক ট্ৰেজেডি
(খ) ঐতিহাসিক ট্ৰেজেডি
(গ) সামাজিক ট্ৰেজেডি
(ঘ) পাৰিবাৰিক ট্ৰেজেডি
(ঙ) অতি কাল্পনিক ট্ৰেজেডি
(চ) জীৱনীমূলক ট্ৰেজেডি

ভাববস্তু অনুসৰি ট্ৰেজেডিৰ ভাগ ঃ

১। ধৰ্মমূলক ট্ৰেজেডি
২। নীতিমূলক ট্ৰেজেডি
৩। প্ৰেমমূলক ট্ৰেজেডি
৪। অতি প্ৰবৃত্তি (passion) মূলক ট্ৰেজেডি
৫। ৰাজনীতিমূলক ট্ৰেজেডি
৬। নিয়তি প্ৰভাৱিত ট্ৰেজেডি
৭। প্ৰতিশোধমূলক ট্ৰেজেডি
২। চক্ৰান্তমূলক ট্ৰেজেডি

ৰসৰ ভিত্তিত ট্ৰেজেডিৰ শ্ৰেণী ঃ

১। বিস্ময়মূলক ট্ৰেজেডি
২। অনুশোচনামূলক ট্ৰেজেডি
৩। বীৰত্বব্যঞ্জক ট্ৰেজেডি
৪। ভীতিমূলক ট্ৰেজেডি

এনেদৰে ট্ৰেজেডিৰ শ্ৰেণীকৰণ কৰিব পাৰি। ইয়াক হয়তো আৰু বহলাই

Scanned by CamScanner

নি থাকিব পৰা যায়।

**ট্ৰেজেডি আৰু কমেডি ঃ**

নাটকৰ দুটা বিশিষ্ট ভাগ ট্ৰেজেডি আৰু কমেডিৰ উৎপত্তি স্থল একেই। দুয়োবিধ নাট্যৰূপেই গ্ৰীকসকলৰ দেৱতা ডায়োনিচাচৰ উৎসৱ অনুষ্ঠানৰ পৰা সৃষ্টি হৈছে। শীতকালীন উৎসৱত উলিওৱা শোভাযাত্ৰা 'কোমাছ' (comus) ৰ পৰা কমেডি আৰু বসন্তকালীন উৎসৱত গোৱা 'ডিথিৰাম্ব গীত' বা ছাগ-গীতৰ (tragoedia) পৰা ট্ৰেজেডিৰ উৎপত্তি হৈছে। এই দুয়োটা নাট্যৰূপত জীৱনৰ দুটা বিশিষ্ট দিশৰ ৰূপায়ণ ঘটে। ট্ৰেজেডিত জীৱনৰ গুৰু-গম্ভীৰ বিষাদময় দিশটো আৰু কমেডিত জীৱনৰ লঘু, সৰস আৰু আলোকময় দিশটো উন্মোচিত হয়। ট্ৰেজেডিত অন্তঃসলিলা ফল্গুৰ দৰে প্ৰবাহিত হৈ থাকে মানুহৰ দুখ, যন্ত্ৰণা, জীৱন সংগ্ৰাম, অশ্ৰু বেথা; প্ৰতিকূল শক্তিৰ বিৰুদ্ধে যুঁজি যুঁজি নিঃশেষ হোৱা মানুহৰ জীৱন সত্য। কমেডিত থাকে মানৱ জীৱনৰ অন্তহীন আনন্দৰ বন্যা।

ট্ৰেজেডি জীৱনৰ শাশ্বত আৰু বিশ্বজনীন ৰূপ। ট্ৰেজেডিৰ ৰচনাৰ কাৰণে লেখকৰ এক আধ্যাত্মিক দৃষ্টিভংগীৰ প্ৰয়োজন। কেৱল দৈহিক দৃষ্টিভংগী লৈ উচ্চ খাপৰ ট্ৰেজেডি সৃষ্টি কৰিব নোৱাৰি। ট্ৰেজেডিত জীৱনৰ গভীৰতম দিশটো উত্থাপিত হয়। সেয়ে গাম্ভীৰ্য আৰু সংযমতা ইয়াৰ প্ৰধান বৈশিষ্ট্য। অন্যহাতে কমেডিত জীৱনৰ এক বিশেষ সময়ৰ সামাজিক আৰু পৰিৱৰ্তনশীল ৰূপ প্ৰতিফলিত হয়। কমেডিয়ে মানুহৰ আনন্দদায়ক দিশ জানিবলৈ দিয়ে। দৈহিক বিসংগতি, কৌতুকপূৰ্ণ আচৰণেও কমেডিৰ সৃষ্টি কৰে। জীৱনৰ গভীৰ ৰূপায়ণ কমেডিত সাধাৰণতেই আশা কৰা নাযায়। আনন্দময় পৰিৱেশ আৰু শিথিল সুৰ কমেডিৰ অন্যতম বৈশিষ্ট্য।

ট্ৰেজেডিৰ নায়কৰ জীৱন কাহিনীয়ে জীৱন আৰু জগত সম্পৰ্কে দৰ্শকৰ মনত নানা প্ৰশ্ন আৰু সংশয়ৰ জন্ম দিয়ে। তেওঁলোকৰ মনোজগতত বিবিধ হেন্দোলনি তোলে। মানুহৰ মনক অনুৰূপ অনুভূতিৰ পৰা মুক্তি দিয়ে। কমেডিত কিন্তু দৰ্শকৰ মনত তেনে ধৰণৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি নহয়।

ট্ৰেজেডিত চৰিত্ৰই আত্মপৰিচয়ৰ চেষ্টা কৰে, চৰিত্ৰই ইয়াত প্ৰাধান্য লাভ কৰে। এটা বা দুটা চৰিত্ৰক লৈয়ে ট্ৰেজেডিৰ কাহিনী আগবাঢ়ে। সেয়ে ইয়াক one man drama বোলা হয়। কমেডিত কিন্তু একাধিক চৰিত্ৰ থাকে। চৰিত্ৰতকৈ পৰিস্থিতি আৰু ঘটনাইহে প্ৰাধান্য লাভ কৰে।

ট্ৰেজেডিৰ চৰিত্ৰ বিকাশশীল। কমেডিৰ চৰিত্ৰ তেনে নহয়। ট্ৰেজেডিৰ নায়কে সচেতনভাৱে নিজ ইচ্ছাৰে লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰে। যিকোনো বাধা

Scanned by CamScanner

অতিক্ৰমণৰ মাজেৰে তেওঁ যাত্ৰা কৰে। কমেডিত কিন্তু তেনে নহয়। ইয়াৰ হাস্যজনক চৰিত্ৰসমূহ স্বভাৱজাত দোষ-ক্ৰুটিৰে পৰিপূৰ্ণ, তাক অতিক্ৰমণৰ প্ৰয়াস অৰ্থহীন। ট্ৰেজেডিৰ নায়কৰ দোষ তেওঁৰ কোনো এটা গুণৰেই মাত্ৰাধিক্য।

ট্ৰেজেডিৰ কাহিনী সংঘাতময়। অন্তৰ্দ্বন্দ্ব আৰু বহিৰ্দ্বন্দ্বৰ মাজত ব্যতিব্যস্ত ট্ৰেজেডিৰ নায়কে আত্ম প্ৰতিষ্ঠাৰ সংগ্ৰাম কৰি শেষত পৰাজয় বৰণ কৰে। কমেডিৰ নায়কে সকলো বাধা অতিক্ৰম কৰি সাফল্য লাভ কৰে।

ট্ৰেজেডিত নায়কৰ সৈতে জগতৰ বিৰোধ নিদাৰুণ ৰূপত জিলিকি উঠে। কমেডিত নায়কৰ সৈতে জগতৰ অসামঞ্জস্য বা বৈষম্য হাস্যাত্মক হৈ প্ৰতিভাত হয়।

ট্ৰেজেডিয়ে মানুহৰ কামনা-বাসনা প্ৰশমিত কৰি মানসিক স্বাস্থ্য বিধান কৰে। কমেডিয়ে মানুহৰ এটি মানৱীয় বিচ্যুতিৰ নিৰ্বুধিৰ পৰিণাম অংকনেৰে মানুহৰ অন্তৰৰ দুৰ্বলতা নাশ কৰি স্বাভাৱিক আৰু সুস্থ কৰি তোলে।

দৰাচলতে ট্ৰেজেডি আৰু কমেডিৰ ভিন্নতা শ্ৰেণীগত নহয় মাত্ৰাগতহে। কমেডিৰ হাস্যাত্মক সুৰটিৰ মাত্ৰাধিক্যই ক্ৰমান্বয়ে অশ্ৰুজলত পৰিণত হ'ব পাৰে। ট্ৰেজেডিৰ কৰুণ ঘটনা এটাক কমেডিত পৰোক্ষভাৱে পাতল ৰূপত অসঙ্গতিৰ আকাৰত ৰূপায়িত কৰিব পাৰি। এটাত কাৰুণ্যৰ অভিব্যক্তি চকুলো আনটোত কাৰুণ্যক হাঁহিৰ খলকনিৰে ঢাকি ৰাখিব পাৰি। সেয়ে বহুতে ক'ব খোজে ট্ৰেজেডি আৰু কমেডি দুয়োটাই উৎপত্তি হয় মানৱ জীৱনৰ শোকাৱহ ঘটনাৰ মাজত।

Scanned by CamScanner